**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-OCT-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

——————————————————

কেন্দ্ৰীয় চৰকাৰৰ আদি কৰ্মযোগী অভিযান ৰূপায়ণত ডিব্ৰুগড়, যোৰহাট আৰু গোলাঘাট জিলাই শ্ৰেষ্ঠ জিলা হিচাপে সন্মান কঢ়িয়াই আনিছে। নতুন দিল্লীত অনুষ্ঠিত আদি কৰ্মযোগী অভিযানৰ অনুষ্ঠানত জিলা তিনিখনত দেশৰ ভিতৰতে অন্যতম শ্ৰেষ্ঠ প্ৰদৰ্শনকাৰী জিলা হিচাপে সন্মানিত কৰা হয়। ডিব্ৰুগড় জিলা প্ৰশাসনৰ হৈ জিলাখনৰ সহকাৰী আয়ুক্ত ৰীমা তৃষ্ণা হালৈয়ে যোৱা ১৭ অক্টোবৰত নতুন দিল্লীৰ বিজ্ঞান ভৱনত আয়োজিত অনুষ্ঠানত এই বঁটা গ্ৰহণ কৰে। কেন্দ্ৰীয় চৰকাৰৰ জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰ অভিলাষী আঁচনি আদি কৰ্মযোগী অভিযানৰ অধীনত জনজাতীয় কল্যানৰ ক্ষেত্ৰত উৎকৃষ্টতা আৰু সৰ্বাত্মক বিকাশৰ বাবে গ্ৰহণ কৰা উল্লেখযোগ্য প্ৰচেষ্টালৈ এই স্বীকৃতি প্ৰদান কৰা হৈছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই সফলতাৰ বাবে জিলা কেইখনত কৰ্মৰত সকলো বিষয়া কৰ্মচাৰী, জিলা সমন্বয়ক, প্ৰশিক্ষক আৰু সংশ্লিষ্ট সকলোকে আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে।

oooooo

কাজিৰঙাৰ অগৰাতলী বনাঞ্চল কালিৰে পৰা পৰ্যটকৰ বাবে মুকলি কৰা হৈছে। কালি এই উপলক্ষে আয়োজিত অনুষ্ঠানত মন্ত্ৰী অতুল বৰা, সাংসদ কামাখ্যা প্ৰসাদ তাছাৰ লগতে কেইবাগৰাকীও দেশী-বিদেশী পৰ্যটক উপস্থিত থাকে। প্ৰৱেশদ্বাৰ মুকলি কৰাৰ পাছতেই মন্ত্ৰী শ্ৰীবৰা আৰু সাংসদ তাছাৰ লগতে পৰ্যটকসকলে জীপ ছাফাৰী কৰে। এই সন্দৰ্ভত মন্ত্ৰী বৰাই এইদৰে কয়—

*-বাইট-*

ইপিনে, ভাৰতৰ সৈতে বাণিজ্যিক সম্পৰ্ক শক্তিশালী কৰা আৰু বিনিয়োগৰ ক্ষেত্ৰত অধ্যয়নৰ লগতে কাজিৰঙাৰ মৌ পালন আৰু বিপণন কাৰ্য পৰিদৰ্শনৰ বাবে উদ্যানখনলৈ অহা নিউজিলেণ্ডৰ কূটনীতিবিদ এশ্বান জয়বৰ্ধনৰ নেতৃত্বত অহা দলটোৱে কালি অগৰাতলী বনাঞ্চল পৰিভ্ৰমণ কৰে। তেওঁ জাপৰীপথাৰত গাওঁখনৰ পাৰিপাৰ্শ্বিক উন্নয়ন সমিতিৰ উদ্যোগত গাঁওবাসীয়ে কৰা মৌপালন কাৰ্য পৰিদৰ্শন কৰে। তেওঁলোকে মহিলাসকলক এই কামক ভূয়সী প্ৰশংসা কৰে। দলটোৱে অন্যান্য স্থানতো মৌপালন কাৰ্য পৰিদৰ্শন কৰে। ইয়াৰ পাছতে শ্ৰীজয়বৰ্ধনে কৃষিমন্ত্ৰী অতুল বৰাৰ সৈতে কৃষি উৎপাদন ক্ষেত্ৰত বিনিয়োগৰ সম্ভাৱনা সন্দৰ্ভত বৈঠকত মিলিত হয়।

oooooo

চৰাইদেউ জিলাত জিলা কৃষি বিভাগৰ উদ্যোগত আৰু বেঙেনাবাৰী গাঁও পঞ্চায়ত তথা ৰাইজৰ সহযোগত কালি ৰাজহুৱাভাৱে পালন কৰা কাতি বিহুৰ অনুষ্ঠানত সোণাৰী বিধানসভা সমষ্টিৰ বিধায়ক ধৰ্মেন্দ্ৰ কোঁৱৰে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানতে কৃষি বিজ্ঞান কেন্দ্ৰ বিশেষজ্ঞ ড০ বনশ্ৰী মেধিয়ে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনিৰ অধীনত মাহজাতীয় শস্যৰ খেতিৰ বিষয়ে উপস্থিত কৃষকসকলক প্ৰশিক্ষণ দিয়াৰ লগতে বিভাগীয় আঁচনিসমূহৰ সন্দৰ্ভতো আলোকপাত কৰে। অঞ্চলটোৰ প্ৰগতিশীল কৃষক পৰশ পৰাণ চেতিয়াকো একেটা স্থানতে সম্বৰ্ধনা জনোৱা হয়। এই অনুষ্ঠানত কৃষি বিভাগৰ অন্যান্য বিষয়া-কৰ্মচাৰীৰ লগতে শতাধিক কৃষক ৰাইজ উপস্থিত থাকে।

oooooo

ৰহাৰ ঐতিহাসিক ফুলগুৰি ধেৱাৰ স্মৃতি বিজড়িত মানুহপোৰাৰ বিলৰ ভূমি শীঘ্ৰেই দখলমুক্ত কৰা হ'ব বুলি ৰাজ্য চৰকাৰে প্ৰকাশ কৰিছে। কালি ফুলগুৰি ধেৱা দিৱস উপলক্ষে আয়োজিত অনুষ্ঠানত মন্ত্ৰী কেশৱ মহন্তৰ

উপস্থিতিত জিলাখনৰ আয়ুক্ত দেৱাশীষ শৰ্মাই  এইকথা প্ৰকাশ কৰে। তেওঁ কয়, যে ফুলগুৰিৰ ধেৱাত ইংৰাজৰ গুলীত মৃত্যু হোৱা লোকসকলক গোপনে সৎকাৰ কৰা মানুহপোৰা বিল হিচাপে খ্যাত অঞ্চলটো অবৈধ দখলকাৰীৰ কবলত পৰিছে। ৰাজ্য চৰকাৰে এই ঐতিহাসিক ভূমি দখলমুক্ত কৰি ফুলগুৰি ধেৱাৰ নামত পঞ্জীয়ন কৰিব বুলি প্ৰকাশ কৰে। ৰহাৰ বিধায়ক শশীকান্ত দাসে মানুহপোৰা বিলতো এটা স্মৃতিসৌধ নিৰ্মাণ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে।

কালি নগাঁও জিলাৰ ৰহাৰ ফুলগুৰি ধেৱা স্মৃতি ৰক্ষা সমিতিৰ সহযোগত বিভিন্ন কাৰ্যসূচীৰে ১৬৪ সংখ্যক ঐতিহাসিক ফুলগুৰি ধেৱা দিৱস পালন কৰা হয়। অনুষ্ঠানত মন্ত্ৰী কেশৱ মহন্তই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি ফুলগুৰি ধেৱা স্মৃতি সৌধত বন্তি প্ৰজ্বলন কৰে। মন্ত্ৰীগৰাকীয়ে ফুলগুৰি ধেৱা ব্ৰিটিছ শাসনৰ এক কৰুণ কাহিনী বুলি মন্তব্য কৰে।

০০০০০০

যোৰহাট জিলাৰ মৰিয়নি মহাবিদ্যালয়ৰ খেলপথাৰত আজি অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ অধিৱেশন অনুষ্ঠিত হ'ব। অধিৱেশনত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা উপস্থিত থকাৰ কথা। কালি যোৰহাট জিলা আয়ুক্ত জয় শিৱানী আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষক শ্বেতাংগ মিশ্ৰই অধিৱেশনৰ প্ৰস্তুতিৰ বিভিন্ন দিশ পৰ্যালোচনা কৰাৰ অৰ্থে স্থান পৰিদৰ্শন কৰে। ইপিনে মৰিয়নি বিধানসভা সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়েও অধিৱেশন হ'বলগীয়া স্থান পৰিদৰ্শন কৰি প্ৰস্তুতিৰ বুজ লয়।

০০০০০০

সমাপ্ত